# উচৰ্গা

আজি যাৰ বিদায় সুৰত
হিয়া মোৰ অতিকে আকুল
হে ভ্ৰাতৃ তোমাৰ বিয়োগে
মন মোৰ অতিবিয়াকুল।
জীৱনৰ প্ৰথম পুৱাত
মালতীৰ মালা গাঁথি গাঁথি
দিওঁ বুলি আশীষ তোমাক
চাপিছোঁহি মন্দিৰত আজি।
লোৱা তেন্তে শেষ মালা ধাৰ
অনন্ত ৰাজ্যৰ পৰা তুমি।
উচৰ্গিলো তোমাৰ হাতত
মোৰ এই ফুলৰ কুঁৱৰী
—মোৰ চেনেহৰ ভাইটী—
৺ অকমাণ ভট্টাচাৰ্য্যৰ
করুণ স্মৃতিৰ
উদ্দেশ্যে।

Acc No
5645

A733
19/3/56

DIBRUGARH COLLEGE

# মিনতি

আজি এই ঘোৰ অমানিশা
কোনে মোক দিবহি সহাৰি
কোন পথে কেনিযাম মই
নাই পোৱা উপায় বিচাৰি।

(২)

দীঘলীয়া এই পথটিৰ
শেষ সীমা পোৱা নাই মই;
তাতে মই অচিন পথিক
কোনে দিব বাট দেখুৱাই।

(৩)

ধীৰে ধীৰে চাপিলে সন্ধিয়া
অন্ধকাৰ আৱৰণ ল'ই
বাট পথ চকুৰে নমনি
কোন পথে কেনিযাম ম'ই।

(৪)

আজি এই সন্ধিয়া পৰত
জোঁৱাৰৰ প্ৰকোপিত ঢ'উ
( সাগৰত ) উঠিছে সঘনে দেখো মই
পথ মোৰ ৰুধিছে আক'উ।

(৫)

তাতে মই এটা নঁাৱৰীয়া
টুলুঙীয়া নাওঁখনি ল'ই
অকলই আহিছোঁ উজাই
এই ভগা হিয়া খনি ল'ই।

(৬)

চন্দ্ৰ তৰা নাই আকাশত
বিজুলীৰ হাঁহিটিও নাই;
আছে মাথোঁ ক'লা আৱৰণ
সিয়ে মোৰ জীৱন সহায়।

(৭)

আহাঁহে ৰুণা মই দেৱ
দিয়া মোক অকণি সহায়।
অচিন পথৰ মাজে মোৰ
গতি পথ হেৰাল নিশ্চয়।

(৮)

যৌৱনৰ লীলা সপোনত
পাহৰিলো তোমাল'ই মই;
সংসাৰৰ আচোক আশাত
ঢালি দিলো অকণি হৃদয়।

(৯)

ৰচিছিলো সুখৰ সপোন
মায়াময় সংসাৰ মাজত।
ভাবিছিলো কল্পনাক লই
চিৰদিন থাকিম ইয়াত।

(১০)

আজি এই সন্ধিয়া পৰত
কোনোটিও কাষৰত নাই;
যৌৱনৰ সুখৰ সপোন
দূৰতেই আতৰি পলাই।

(১১)

বিপদ বিঘিনি নানা বোৰ
আহিছে আক'উ আজি মোৰ।
কোনে মোক তৰাব এতিয়া
দুখ বোজা পেলাবহি ওৰ।

(১২)

তোমাৰ কৃপাতে যেন প্ৰভু
লভি শান্তি সুখ মৰতৰ
দেৱ সঙ্গ পাওঁ পুনৰাই
এয়ে মোৰ মিনতি এবাৰ।

( কাৰ্ডিনেল নিউম্যানৰ ভাঙনি।)

—:০:—

# উন্মাদ পথিক

কোন সুদূৰত
অতীত বিচাৰি
বলীয়া বতীয়া হ'ই
বিচাৰি ফুৰিছ হেৰুৱা সপোন
জগত মাজত তই।

(২)

কিতো হেৰুৱালি
কিতোনো নেপালি
গলিনো কিহত ভূল।
কাৰণে মায়াৰ আকুলি হৃদয়
ফুলালে চেনেহ ফুল।

(৩)

বিছাৰি ফুৰিছ
এতিয়াও তই
মায়াৰ সপোন ফেৰি;
অকলে অকলে নিজান বনত
নিতউ ফুৰিছ ঘূৰি ।

(৪)

দেখিলি এদিন
মায়া মৰিছিকা
মৰু মৰতত ত'ই;
তাৰ ৰূপতেই ভূল গলি হেৰ
পাহৰি পেলালি ভয় ।

(৫)

নেজাননে তই,
মৰিছিকা ছাঁয়া
নেথাকে সদায় ৰ'ই ।
খন্তেক ওলাই খন্তেক পাছতে
খন্তেকতে অস্ত হয় ।

(৬)

ভাবিছযে তই
সংসাৰ আপোন
ৰচিম মায়াৰ হাট
থাকিম ইয়াতে চিৰকালল'ই
কৰিম জীৱন পাত।

(৭)

কিন্তু হাঁয় চাবি
সকলো ক্ষন্তেক
কল্পনা পৰিব জঁয়
মনৰ আশাটি থাকিব মনতে
সকলোটি হব ক্ষয়।

(৮)

সকলোটি এৰি
অকলই ত'ই
যাবি গই ভটিয়াই
দিঠকে সপোন ৰছিলে কি হব
ভবিষ্যৎ সুন্দৰ পায়।

(৯)

যা আৰু হেৰ
নাহিবি ভুলাই
সপোন বলীয়া হ'ই
অতীতৰ ছবি বিচাৰি ফুৰিলে
কতনোযে পাবি অ'ই।

(১০)

শূইনৰ হিয়া
নিস্ক্রিয় ছবিটি
শূইনত মিলিল গ'ই
অলীক সপোন পুনৰ আক'উ
নেদেখ ভুনাই ত'ই।

(১১)

এৰি দে তোৰ
জীৱনৰ নাওঁ
আৰু নেথাকিবি ৰ'ই
নবছিবি আৰু দিঠকে সপোন
গুছি যা দূৰল'ই

—০—

# ফুল

ফুলা ফুল ফুলিজা
ফুলনী গুৱনী কৰি
মাৰ যায় শেষ সন্ধিয়াত।

জীৱন পৰশ পায়
মাধুৰী অমিয়া জাগে
সুখ দুখ হয় প্ৰতিভাত।

কত সুখ কামনাত
উঠিছে হৃদয় জাগি
সুখস্বপ্ন দেখিছো সদায়।

খন্তেকীয়া জীৱনৰ
সুখ দুখ আতৰিব
তুমি মোৰ অচিন সদায়।

মানস পটত আহি
স্মৃতিৰ সৌৰভ যাচি
আছা নিতে জীৱন পথত।

নয়ন মানস জ্যোতি
লাহে লাহে ক্ষীণ হব
অস্ত হব দূৰ দিগন্তত।

সপোনৰ স্মৃতিৰেখা
আতৰি কেনিবা যাব
দিঠকৰ সসীম ৰাজ্যত।

সামৰি স্মৃতৰি থ'ই
জীৱনৰ বেহাখনি
মিল হম অনন্ত শূন্যত।

—০—

# ফুলোফুল

সেইদিনা জীৱনৰ তটিনী তীৰত
বহিছিলো অকল'ই মই।
দেখিছিলো সুদূৰত ক্ষুদ্ৰ ফুল পাহী
ফুলিছিল জকমক্ ক'ই।

আন্ধাৰ পোহৰ যেন চাৰিদিশ বলি
ব্যাপিছিল সৌন্দৰ্য্যৰ ৰেখা।
লাজুকী জোনায়ে দেহি অকলই বহি
পাতিছিল পোহৰৰ খেলা।

অনন্ত প্ৰেমৰ সুৰ জগত জিলিকি
উঠিছিল মায়া কাননত।
প্ৰাণ নিজৰাত মোৰ ক্ষুদ্ৰ বীণখনি
বাজিছিল অজান সুৰত।

যুগমীয়া কতছবি চকুৰ আগত
ভাঁহিছিল শূন্যৰ কোলাত।
শূন্যৰ স্মৃতিৰ ছাঁয়া শূন্যৰ কোলাত
জঁয় পৰি লুকাল শূন্যত।

আহিছিল কতজন অচিন পথিক
তটিনীৰ কাষলই বুলি।
খন্তেক বিশ্ৰাম ল'ই ভাগৰ পলাই
গুছি গ'ল নিজ ঠাই ভুলি।

আহিল কতনো যাত্ৰী গল কতজন
তাৰ মাথোঁ লেখা জোখা নাই।
খন্তেক মাথোঁন বহি সুখ দুখ স'তে
দুদিনৰ খেলা খেলি যায়।

মদগন্ধে আকৰ্ষিত কলিয়া ভোমোৰা
জীৱনৰ বীণখনি ল'ই
সৃষ্টি ফুলনীৰ মাজে অনাই বনাই
ফুৰিছিল আনন্দিত হ'ই।

সন্ধিয়া পৰশ পায় সকলোটী এৰি
উৰি গ'ল দূৰ দেশল'ই;
নিয়তীয়ে কোলাপাতি হাতেৰে সাৱটি
লুকুৱাই কোঁচতেই থই।

বিজুলীৰ চিক্‌মিক্ মধুৰ হাঁহীটি
পাৰিছিল আহি কতবাৰ।
খন্তেকীয়া স্মৃতি তাৰ শূন্যৰ বুকত
লয় পালে শূন্যৰ বিকাৰ।

অলীক সপোন দেখি কত যে পথিক
পাছ ধৰি আহিছে ছুনাই।
ভাগিব সপোন মায়া সকলো পাহৰি
গুছি যাব পথ হেৰুৱাই।

# অচিন পথিক

অচিন দেশৰ অচিন আলহী
আহিছোঁ অকলে মই।
কোন পথে যাম কোন দেশলই
সিও অবগত নাই।

কতনো ফুৰিছোঁ সংসাৰ হাটত
জীৱনৰ ভাও লই।
কেতিয়ানো বাৰু মায়া ডোল মোৰ
পাব অনন্ত লয়।

কতযে পথিক অচিন ৰূপেৰে
ধৰাৰ বুকলৈ আহি;
দুদিনৰ পাছে বেহানি সামৰি
যায় শূন্যল'ই ভাহি।

ভঙাপতা ছবি সৃষ্টিৰ মাজত
উঠিছে কতনো! হাঁয়।
তাক চাই চাই সসীম যাত্ৰীয়ে
আপোন পাহৰি যায়।

ছাঁয়া মায়া চিত্ৰ খন্তেকৰ পাছে
আতৰি কেনিবা যায়।
বিজুলীৰ ৰেখা ওলাই খন্তেক
অসীমতে মাৰ যায়।

দেখিলো কতনো সাগৰ বুকত
উঠিছে ঢ'উৰ খেলা।
তাৰ মাজে মাজে নাৱৰীয়া যায়
পাতিছে অনন্ত মেলা।

কোন দিশ ল'ই এবে নাওঁ খনি
তাৰ থান থিত নাই।
যায় কতজন আহে কতজন
কোনে তাৰ সীমাপায়।

ফুলনী বাৰীত ফুলে কতফুল
মৰহী তলসৈ পৰে;
ডুনাই আক'উ গছৰ ডালত
ফুলৰ চুপহী মেলে।

পথিলা ভোমোৰা কতউৰি ফুৰে
সৃষ্টি ফুলনীৰ মাজে
আহিলে এবাৰ শেষৰ সন্ধিয়া
কেনিবা আঁতৰে পাছে।

অহা আৰু যোৱা নিয়তীৰ খেলা
চলিছে আগৰে পৰা।
কাল চকৰীৰ আগত ঘূৰিছে
আদিম যুগৰে পৰা।

সিদিনা বিধিয়ে সৃজিলে মানৱ
জগতত শ্ৰেষ্ঠ কৰি
কাল উপচক্ৰ পিন্ধালে গ'লত
লগালে মায়াৰ জৰী।

সেইদিন ধৰি ভুল গ'ল নৰ
মায়াৰ চাকত পৰি।
আপোন পাহৰি সুখৰ আশাত
ফুৰিছে নিত'উ ঘূৰি।

অলীক কল্পনা সকলোটী বৃথা
মিছাতে মায়াৰ মোহ
মিছাতেই হাঁয় পাতিছেহি খেলা
খন্তেকীয়া ইটো ভোগ।

খন্তেকৰ বাবে দিয়ে দৰশন
আক'উ আঁতৰি যায়।
জোঁৱাৰৰ ঢ'উ উঠি খন্তেকতে
সাগৰতে লয় পায়।

কাল চকৰীৰ লগত ঘূৰিছে
সুখ দুখ দুটি ফল।
তাৰ প্ৰক্ৰিয়াত নৰ হৃদয়ৰ
উঠিছে বিগলি প্ৰাণ।

ভাৱনাৰ সুৰ উঠিছে নামিছে
অন্তৰত ঢ'উ খেলি ।
মাৰ যায় শেষে অন্তৰ ৰাজ্যত
আশাৰ তৰণী মেলি ।

অবোধ মানৱে বিচাৰি ফুৰিছে
বিধিৰ গুপুত তান ।
ভেদিব নোৱাৰি আদিম ৰহস্য
কৰিছে দুখীত প্ৰাণ ।

অৰ্কণি দীপিতি জগত জিলিকি
অনন্তত পাই লয় ।
অনন্ত জ্যোতিৰ প্ৰতি বিকাশত
সৃষ্টিৰ বিকাশ হয় ।

সৃষ্টি তৰঙ্গৰ প্ৰতি ঘাটে ঘাটে
উত্তাল তৰঙ্গ ভেদি ।
ধীৰে ধীৰে ঘুৰি কাল চকৰীয়ে
বিকাশ পেলায় চেদি ।

নিয়তীৰ লীলা ঘূৰে পাকে পতি
নবৰূপ নিতে ল'ই
তাৰেই প্ৰক্ৰিয়া নৱ পৰাণত
ফলে সুখ দুখ হ'ই।

দুদিনৰ এই আলহী ঘৰত
খন্তেক জিৰণি ল'ই;
সুখৰ সপোন ৰচি দিনে দিনে
আছোঁ মাথো ভুল গ'ই।

আহিব এদিন বলীয়া বতাহ
বলিব প্ৰবল ভাবে।
নিব উৰুৱাই প্ৰাণ পখীটিক
শূন্যৰ কোলাৰ পিনে।

খন্তেকীয়া স্মৃতি মৰুৰ মাজত
আতৰি কেনিবা যাব।
কোমল হাতেৰে প্ৰকৃতি দেবীয়ে
স্নেহেৰে কোলাত লব।

ধেমালী সামৰি সন্ধিয়াপৰত
শেষৰ মেলানি মাগি
মূৰঁতী দোঁৱাই কালৰ বুকত
পৰিম এবাৰ ঢলি ;

বালুকণা এটা উৰি যায় যদি
সাগৰ বুকৰ পৰা।
বিশাল বিশ্বত নঘটে প্ৰলয়
একেই চলিব ধৰা।

# জীৱন সন্ধিয়া

বিফল বাসনা লই প্রকৃতী ৰাজ্যত
ঘূৰি ঘূৰি আজি কত কাল।
অন্তহীন ছাঁয়া চিত্ৰ আকি হৃদয়ত
বান্ধথাই আছোঁ চিৰকাল।

নুফুলা ফুলৰ কলি কতনো ফুলাই
সৌন্দৰ্য্যৰ বিভীষিকা ৰচি।
আপোন পাহৰা হ'ই পাহৰনিতেই
আছোঁ এই জগতত মজি।

সপোনৰ কতছবি মনৰ মাজত
ধৰি আছোঁ সাৰটি মাথোন।
দিঠকৰ অৱয়ৱ আহিব যেতিয়া
হব সেই সকলো সপোন।

উৰিযাব ধীৰে ধীৰে কালিমা মনৰ
শূন্যৰ কোলাত পাব লয়।
আশা নিৰাশাৰ ছবি অন্তৰ ৰাজ্যত
জিলিকি থাকিব সৰ্ব্বদায়।

কত যে ফুলৰ কলি ৰমকে জমকে
ফুলি আছে এই নিৰলাত।
সুগন্ধৰ ৰেখা কত-বিয়পি পৰিছে
অন্তহীন বিশাল ধৰাত।

পখিলা ভোমোৰা আহি দূৰ দিগন্তৰ
ভ্ৰমিছেহি আনন্দ মনেৰে।
সুখ গীত গাই গাই ফুলনী মাজত
জীৱনৰ অভিনয় পাতে।

বিশাল জগত জুৰি প্ৰেমৰ ৰাগিণী
চতুৰ্দ্দিশে উঠিছে সঘনে।
কল্পনাতে দিঠকৰ ব্যঙ্গতাৰ ছবি
ভাঁহি উঠে অতি সঙ্গোপনে।

এইদৰে কল্পনাৰ জালৰ মাজৰ
ৰছোঁতেই সপোনৰ গান।
আয়ুবেলি মাৰ গলে পশ্চিম দিশত
ভাগি যায় জীৱনৰ তান।

উৰি যায় শেষ স্মৃতি শূন্য ৰাজ্যলই
অনন্তত ধীৰে পায় লয়।
সুখৰ সপোন ভাঙি জীৱনৰ ভাৱৰীয়া
গুচি যায় শেষ ঠাই ল'ই।

# জন্ম ভূমিৰ প্ৰতি

স্বৰ্গটো অধিক এই জন্ম ভূমি
কতো পাবলৈ নাই।
আহিলোঁ মাথোন অচিন পথেৰে
মনৰ আশাটি পাই।

কেনেনো ধুনীয়া মাতৃটো শ্ৰেয়স্ক
কতনো বিচাৰি পাম।
আহিছোঁ এবাৰ বীণ বাই বাই
সন্ধিয়া কেনিবা যাম।

সন্ধিয়া আকাশত জিলিকে তৰাটি
মিচিকি হাহীটি লই
পুৱা অৰুণৰ মধুৰ পৰশে
আঁতৰাই নিয়ে গ'ই।

কতনোযে তৰা ইয়াতে লুকাল
সন্ধিয়া পৰশ পায়।
শেষ স্মৃতি মাথোঁ এটী জ্যোতি কণা
ৰ'ল জগতত হাঁয়।

বীৰ বীৰাঙ্গনা কতনো লুকালে
জগত পোহৰ কৰি।
চাকিটি নুমালে আন্ধাৰ আহিলে
নিলে নিয়তীয়ে ধৰি।

পুৰি গ'ল মাথোঁ জীৱনৰ ধূপ
হিয়াৰ ফুলেৰে পূজি।
অনন্ত বেদীত এতিয়াও হায়
আছে প্ৰতিধ্বনি এটী।

অচিন পথিক অনন্তৰ পৰা
আহিছো অকলে মই।
অন্তৰৰ পিনে উধাই আক'উ
পাম অনন্তত লয়।

জীৱনৰ মোৰ যৌৱন কালত
বাজিছে বিজয় সুৰ।
আহাঁ কাষলৈ হেৰা দেৱী মই
কৰোহি বন্দনা মোৰ।

থাকোতে এতিয়া ক্ষন্তেক সময়
ফুলা ফুল পাহী ল'ই
ঢালি দিওঁ মই তোমাৰ পদত
পূজাৰী সাধক হ'ই।

শুনিছোঁয়ে মই দূৰ বিদূৰত
কালৰ বাজনা ঘোৰ
আহিব এতিয়া বিয়লিৰ বেলা
পৰিব জীৱন ওৰ।

ফুলা ফুল মোৰ লেৰেলি শুকাব
হাতৰ মুঠিতে এই;
মনৰ আশাটি থাকিব মনতে
মালতীও যাব দেই।

আলহী ঘৰত পাতিছোহি মেলা
দুদিনৰ বেহা ল'ই।
ভাগিব এদিন মায়া ময় মেলা
গুছি যাম অকল'ই।

হিয়া উজ্বাই তোমাক শুনাওঁ
মোৰ জীৱনৰ গীত।
আজীৱন যেন হে মাতৃদেৱী
সাধিম তোমাৰ হিত।

সুখৰ সপোন দেখি দেখি মই
গাওঁ সপোনৰ গান।
উঠে জগতত প্ৰতিধ্বনি তাৰ
দিঠকত উঠে তান।

ফুলিছে এতিয়া নতুন পুৱাত
মোৰ জীৱনৰ ফুল।
তাক আজি লই পূজো তোমাকেই
পাই তটিনীৰ কুল।

আহিছোঁ এবাৰ উজনী নাৱঁত
যাম গই ভটিয়াই।
তোমাৰ বুকতে পুনৰ আ'কউ
লʼমহি জনম ঠাই।

—ঃ০ঃ—

# বন পক্ষী

বনৰ পখিলি মই ফুৰি ফুৰোঁ। বনতেই
নিজানৰ বাতৰি বিলাই;
সপোন মাধুৰী আনি নিতে নিতে জগতত
সাদৰেৰে যাওঁহি ফুলাই
নিজানৰ বাতৰি বিলাই।

উৰি ফুৰো উলাহৰ প্ৰেম গীতি গাই গাই
দিব্যময় ধৰাৰ বুকত।
আপোন পাহৰা এটি মধুৰ সঙ্গীত সুৰ
উঠে নিতে প্ৰকৃতি ৰাজ্যত।

এনেনো ধুনীয়া দেহি প্ৰকৃতি কানন খনি
সৰগৰ অমিয়া মাধুৰী।
নিতে নিতে ফুলে তাত সৰগৰ পাৰিজাত
জাগি উঠে সপোন কুঁৱৰী
সৰগৰ অমিয়া মাধুৰী।

সংসাৰৰ ক্লেশ, তাপ নাই একোটিও তাত
বিষাদৰ স্মৃতি কণা নাই।
আজি তাত জগতৰ মাধুৰিমা সৌন্দৰ্য্যৰ
অনন্তৰ নিৰঞ্জন ঠাই।
বিষাদৰ স্মৃতি কণা নাই।

অকল শৰীয়া হ'ই উৰি ফুৰো তাতে মই
গাই যাওঁ দুদিনৰ গান।
অচিন পথিক আহি দূৰ দিগন্তৰ পৰা
ৰ'ই ৰ'ই শুনে মোৰ তান;
গাই যাওঁ দুদিনৰ গান।

অনন্তৰ পিনল'ই পঠাওঁ জীৱন গীতি
সপোনৰ সুৰ এটি লই;
আপোন পাহৰাহ'ই ভাৱৰ লহৰ ল'ই
সুৰৰ সোঁতত ফুৰো অ'ই
সপোনৰ সুৰ এটী ল'ই।

এনেদৰে নিতে নিতে নতুন ভাৱনা লই
আগুৱাওঁ অকল শৰেৰে।
লগৰীয়া সমনীয়া কোনো নাই জগতত
অকলই থাকো ৰঙমনে।
আগুৱাওঁ অকল শৰেৰে।

Accession No. 5645

কত আহি বাটৰুৱা নিত'উ নতুন পুৱা!
কয় মোক কাষল'ই আহি।
"অকণি পক্ষিলি কিয় বিষাদৰ বোজালই·
ফুৰা এই শূইণত ভাঁহী।"
কয় মোক কাষলই আহি।

"সংসাৰ তিয়াগি মই বিজন কানন খনি
ললো আহি আগৰ পৰাই।
তাতে থাকো উলাহৰে নিজানৰ গীত গাই
আনন্দিত মনেৰে সদায়।"
ললো আহি আগৰ পৰাই।

ঘৰবাৰী তাতে মোৰ গছৰ পাততে থাকো
ক্ষন্তেকীয়া বীণ খনি বাই।
সংসাৰৰ সুখ দুখ হিংসা কুটিলতা দ্বেষ
তাত মোৰ একোটিও নাই।

সদায় উলাহ মনে নিবিৰ বননী মাজে
সঙ্গীতৰ সুৰ টানি লই।
সাগৰ বুকত গ'ই অচিন কাণ্ডাৰী হ'ই
ফুৰি ফুৰো নাওখনি ল'ই।
সঙ্গীতৰ সুৰ টানি ল'ই।

দূৰতে জিলিকি তৰা দূৰতেই মাৰ যায়
দেখুৱাই পোহৰৰ পথ।
চিকি মিকি আন্ধাৰত তাকেই সহাৰি ল'ই
আগুৱাওঁ জীৱনৰ ৰথ।
দেখুৱাই পোহৰৰ পথ;

এইদৰে গই গই পথৰ মাজত স্ম'ই
লাহে লাহে লাগিব আমনি
শীতলী কোলাত আহি মৃৰতী দোৱাই হাঁহী
ল'ম মই শেষৰ জিৰণি।
লাহে লাহে লাগিব আমনি।

ছুদিনীয়া ফুল পাহী শুকাই খিনাই দেহী
সৰি পৰি মিলিব মাটিত।
আতৰিম উলাহৰে সংসাৰ পথৰ পৰা
খোজ ৰাখি সময় বালিত।
সৰিপৰি মিলিব মাটিত।

"যি খনি নাৱত উঠি আহিলোঁ আগেয়ে"
তাতে উঠি যাম ভটিয়াই।
নিজান বনৰ মাজে ফুৰোঁ উলাহৰে
জীৱনৰ বাতৰি বিলাই।

—:*:—

# আকুল ভ্ৰমৰ

অকলে অকলে কিয়
নিজান বনৰ মাজে
জীৱনৰ ফুৰা বীণ বাই।

প্ৰেমত আকুলি নেকি
তোমাৰ হৃদয় খনি
ফুৰা নেকি মাধুৰী বিলাই ?

প্ৰাণৰ ৰূপহী ফুল
দেখিলা ফুলনী মাজে
ঢালি দিলো তাতে মন প্ৰাণ

হৰিষত গালা কত
আনন্দৰ মধু গান
ভাবিলা ই সপোনৰ তান

জীৱনৰ বীণ খনী
ঢালিলা তাতেই তুমি
সপোনৰ শেষ সুৰ তুলি।

বিয়পিল জগতত
মধুৰ সঙ্গীত সুৰ
গলাহে ভ্ৰমৰ তুমি ভুলি।

বিৰহত আনন্দৰ
ৰচিলা কতনো গান
ঢালি দিলা সুৰতেই প্ৰাণ।

সুৰৰ লগতে তুমি
শেষ বাৰ যাবা গুছি
সুৰতেই হবা অৱসান।

তোমাৰ দৰেই হেৰা
আকুল ভ্ৰমৰ মই
জগতত ফুৰো এনি তেনি।

কতো নাই জগতত
অকনি আশ্ৰয় মোৰ
সাগৰত ফুৰো নাওঁ মেলি।

হোৱা নাই ভ্ৰমণৰ
অন্তিমৰ কাল মোৰ
পোৱা নাই সাগৰৰ পাৰ।

নাও'খনী মাথো লই
সাগৰৰ মাজে মাজে
বিচাৰিছোঁ সাগৰ সিপাৰ।

গোৱা নাই শেষ গান
লুইত বুকত মই
উলাহেৰে শেষ বাৰ ল'ই।

অহা নাই সুদূৰৰ
শেষৰ বাটৰিটিও
যোৱানাই জোনাবায়ে (শেষবাণী) ক'ই

অনাদি কালৰ পৰা
একেটি সুৰত এই
চলি আছে সুবিশাল ধৰা।

সময়ৰ তটিনীয়ে
নতুন পুৰণি কৰি
বই যায় কাষৰৰ পৰা।

উঠিব পূৰুব দিশে
সোনোৱালী ৰেখা এটা
জিলিকিব সমস্ত জগত।

নাৱৰীয়া আহি মোক
ধীৰে সুদূৰৰ পৰা
তুলি নিব নতুন ৰথত।

—০—

# শেষ বিদায়

ধীৰে ধীৰে কাষ চাপি আহিছে সন্ধিয়া
বেলিটীও ধীৰে ডুব গ'ল।
সন্ধিয়াৰ পৰশত চিগিল বীনৰ তাঁৰ
পক্ষিটীও ঘৰমুৱা হ'ল।

অকলে অকলে দেহী পথৰ পথিকে
অশ্রুনীৰে দুগাল তিয়াই
ইনাই বিনাই দেহী পথৰ মাজত
দুচকুৰ লোটক সৰাই।

গুপুট ব্যথাৰ বাণী আশা নিৰাশাৰ
পৰিছেহি মনৰ মাজত
দেখিছে আন্ধাৰ ময় বিশ্ব ব্ৰম্মাণ্ডক
(সকলোটী) শূন্য ময় দেখিছে আগত।

বিয়লি বেলাত আজি বিষাদ মনেৰে
লোট কৰে তল ওপচাই।
মাগিছে বিদায় দেহী পথৰ পথিকে
প্ৰণিপাত সবাকো জনাই।

তটিনীৰ মাজে মাজে সুদূৰৰ পৰা
আহিছে অকণি নাওঁখনি
উঠিযাব তাতে সেই পথৰ পথিকে
শেষবাৰ মাগিব মেলানি।

তৰী আহি চাপিলেহি জুৰণি ঘাটত
লাহে লাহে উঠিল পথিক।
"যাওঁতেন্তে এইবুলি ললেহি বিদায়
চিনি ল'ই শেষৰ পথক।"

জীৱনৰ বীণ বাই অচিন পথিক
গুছি গ'ল সাগৰৰ পিনে,
স্মৃতিৰ সৌৰভ ৰাশি প্ৰতিধ্বনি হ'ই
ৰ'ল এই জগতৰ মাজে।

সুখ দুখ সকলোটী লগ এৰাদিলে
দৃষ্টি ৰ'ল চকুৰ পথত।
শেষৰ বিননি হাঁয় কোমল প্ৰাণৰ
ৰ'ই গ'ল সোণালী ৰথত।

সমাপন সমাপন শেষ এটীবাৰ
সন্তৰ্পনে মাগিছোঁ মেলানি।
হৃদিনীয়া ভগাবান নেবাজে ছুনাই
লঁলো মই সকলো সামৰি।"

---

# অলীক

ভাৱনা অলীক সংসাৰ অলীক
অলীক সপোন সুখ ।
শান্তিৰ নিজৰা সংসাৰ ভাৱনা
বিশ্বই অলীক তোৰ

পূবৰ সুৰুয সন্ধ্যাৰ কোলাত
নিতে নিতে ডুব যায়;
হায় বাটৰুৱা অযাচিতে কিয়
ৰলিহি পথত হাঁয়।

কৰমৰ ঢ'উ উঠিছে নামিছে
সংসাৰ চাকত পৰি ।
কিয় ! হেৰুৱালী নিঠৰুৱা তই
বুলালি দুখন ভৰি ।

গতিবিধি তই লক্ষ্য নকৰিলি
মেলিলি জীৱন তৰী।
ঘোৰ সাগৰত পচোৱাই পায়
পেলালে অস্থিৰ কৰি।

হিয়া ভাঙিতই কান্দ কিয় আজি
সপোন ৰাতিৰ ধন।
পুৱালে নিশ্চয় অন্তৰ্দ্ধান হয়
বিষাদিত হয় মন।

ভাৱনা চাকত উঠানমা কৰি
কিখেল খেলিছ তই।
সমুখত তোৰ কৰাল গৰ্জ্জন
শূন্যতেই পাব লয়।

জানিও নজনা কিয় হলি তই
শোকত কান্দিছে প্ৰাণ।
মায়াৰ সপোন এৰি দি তই
লহি শান্তিৰ স্থান।

বিজুলীৰ দৰে হাহীটী মাৰিলি
সুখৰ সপোন ভাৱি।
সুখ দুখ তোৰ এৰিলি ধৰাত
সকলো আঁতৰ আজি।

—০—

# তুমি মোৰ আহাঁ কাষলৈ

জীৱনৰ দিন লেখি লেখি
অকলই নিজান বনত;
ৰচোঁ নিতে বিৰহৰ গান
মন প্ৰাণ কান্দে বিষাদত।

(২)
কতদিন কত ৰাতি মই
উজাগৰে আছোঁ বাট চাই;
এই মোৰ ভঁগা পঁজালই
তুমি জানো আহিবা ঘূনাই।

(৩)
বিজুলী ৰেখাৰ দৰে তুমি
উৰি গ'লা অসীমৰ পিনে;
ছাঁয়া মায়া বিজুলীৰ ৰেখা
লয় পায় শূন্যৰ কোলাতে ।

(৪)

বিৰহৰ গান ৰচি ৰচি
তোমাৰেই উদ্দেশ্যে পঠাওঁ;
মোৰ এই অকণি হৃদয়
আবেগত মিছাতে কপাওঁ।

(৫)

গাওঁ কত বিষাদৰ গান
অকল'ই বহি নিৰলাত।
প্ৰেমৰ কবিতা মালা মোৰ
অৱসান হ'লহি ধৰাত।

(৬)

জ্বলি থকা চাকিটি নুমাই
মলয়াৰ এছাটি বাৱত।
ফুলপাহী লেৰেলি শুকাই
নিৰাশিত প্ৰাণৰ মাজত।

(৭)

জীৱনৰ শলিতা গছিও
লাহে লাহে পুৰি শেষ হয়;
উৰিযায় প্ৰাণ পক্ষীটিও
অনন্তত ধীৰে পাই লয়

(৮)

লাহে লাহে পুবৰ বেলিটি হয়
পশ্চিমত ভাটী দিলে গই
ভাগি গ'ল জীৱনৰ বীণ
শেষবাৰ আহাঁ কাষল'ই।

(৯)

উটিবুৰি গুছিযাম তুয়ো,
আজি এই সন্ধিয়া পৰত।
সাগৰৰ পিনে তৰী মোৰ
চলি যাব প্ৰৱল বেগত।

(১০)

শূন্যৰেই অনন্ত বেদীত
ৰ'ব মোৰ স্মৃতিৰ বতৰা;
লয় পাম বুকত, সাগৰ
তুমি মোৰ স্নেহৰ পুতলা।

——:o:——

# শেষবাৰ ল'ই

শেষ বাৰ এটী মই
মনৰ বেদনা ৰাশি
কল্পনাৰ ছবি আঁকি
তোমাৰেই উদ্দেশ্যে পঠাওঁ।

(২)

কতনোযে বিষাদৰ
বিৰহৰ গান ৰচি
জগতত নিতে তুলি
তোমাকেই নিত'উ জনাওঁ।

(৩)

আশাৰ শলিতা গছি
পৰিল নিজম মোৰ
নজলে জুনাই আৰু
মৰহিল চিৰকাল ল'ই।

[৪]

এদিন দুদিন কৰি
শেষ হব আয়ুবেলি
মাৰ যাব পশ্চিমত
শেষৰ মেলানি মাগি ল'ই।

[৫]

ভটিয়নী নাওঁখনি
আজি মেলি দিলোঁ। মই
সাগৰৰ দিশ ল'ই
ধীৰে ধীৰে উটি যাওঁ গ'ইঁ।

[৬]

আহঁা তেন্তে শেষবাৰ
চুয়ো যাওঁ একেলগে
এখনী নাৱঁত উঠি
আজিয়েই শেষ বাৰ ল'ই।

( সমাপ্ত )

বেছ ॥০ অনা।

Acc No
5645

A733
12/3/56

মিশ্র প্ৰেছ, ডিব্ৰুগড়।